# 2013

## ASSAMESE

## ( Major )

Paper : 2.2

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Candidates* **eligible** *for Internal Assessment shall answer from* PART—*I only* ( *Marks* : 90 )

---

*Candidates* **not eligible** *for Internal Assessment shall answer both from* PART—*I and* PART—*II* ( *Marks* : 100 )

## PART—I

( *Marks* : 90 )

## প্ৰথম খণ্ড

( মূল্যাংক : ৪৫ )

১। (ক) সমন্বয়-প্ৰক্ৰিয়াৰ আধাৰত অসমীয়া সমাজ গঠিত হৈছে নে নাই, উদাহৰণৰ সৈতে বুজাই লিখা। ১৫

*অথবা*

(খ) অসমীয়া সমাজ গঠন-প্ৰক্ৰিয়াত জনজাতীয় সমাজ আৰু সংস্কৃতিৰ অৱদান সম্পৰ্কে এটি বিশ্লেষণাত্মক নিবন্ধ ৰচনা কৰা।

২। (ক) “জীৱনৰ বিভিন্ন কৃতিয়েই সংস্কৃতি॥”
কথাষাৰৰ সত্যাসত্য নিৰূপণ কৰি তোমাৰ যুক্তি আগবঢ়োৱা। ১৫

*অথবা*

(খ) লোক-সংস্কৃতিৰ স্বৰূপ কি? লোক-সংস্কৃতিৰ পৰিৱৰ্তন কি কি কাৰণত হ'ব পাৰে, সেই কাৰণবোৰ উদাহৰণৰ সৈতে আলচ কৰা।

*অথবা*

(গ) লোক-সংস্কৃতিত 'চোতাল', 'পথাৰ' আৰু 'বাট-চ'ৰা'ৰ ভূমিকা সম্পৰ্কে এটি বিশ্লেষণাত্মক প্ৰবন্ধ লিখা।

৩। (ক) পুৰণি অসমত শৈৱ-উপাসনাৰ জনপ্ৰিয়তা সম্পৰ্কে এটি নিবন্ধ ৰচনা কৰা। ১৫

*অথবা*

(খ) তলত দিয়া বিষয়কেইটাৰ ভিতৰত যি কোনো তিনিটাৰ বিষয়ে আলোচনা কৰা : ৫×৩=১৫

(১) তেলৰভাৰ বা জোৰণ দিয়া

(২) দৌদিনী/দেওধনী বা দেওধা উঠা

(৩) খোলাচাপৰি পিঠা বা নাঙল-ধোৱা পিঠা

(৪) খালৈ/খোলায় বা হোৰাং/খাং

(৫) হাতী দাঁতৰ শিল্প বা সাঁচি পাতৰ পুথি

*অথবা*

(গ) ভোগালী বিহুৰ সৈতে সম্পৰ্কযুক্ত লোকাচাৰসমূহৰ বিষয়ে দৃষ্টান্তৰ সৈতে বহলাই আলোচনা কৰা। ১৫

## দ্বিতীয় খণ্ড

( *মূল্যাংক : ৪৫* )

যি কোনো এটা শাখাৰ উত্তৰ লিখা

### ক—শাখা

**( শঙ্কৰদেৱ )**

৪। বৰগীত আৰু আন আন গীতৰ মাজত পৰিদৃষ্ট পাৰ্থক্যবোৰ উদাহৰণসহ আলোচনা কৰা। ১৫

৫। তলত দিয়া প্ৰশ্নসমূহৰ ভিতৰত যি কোনো দুটাৰ উত্তৰ লিখিবা : ১৫×২=৩০

(ক) 'কীৰ্ত্তন-ঘোষা'ৰ বিষয়বস্তু, অধ্যায় বিভাজন আৰু কাহিনী উপস্থাপন পদ্ধতিৰ বিষয়ে আলোচনা কৰা।

(খ) 'ৰুক্মিণী-হৰণ' কাব্যত অসমীয়া সামাজিক জীৱনৰ পৰিচয় কিদৰে পোৱা যায়, উদাহৰণসহ আলোচনা কৰা।

(গ) 'ৰুক্মিণী-হৰণ' কাব্য আৰু 'ৰুক্মিণী-হৰণ' নাটৰ মাজত কি কি পাৰ্থক্য আছে, সেইবোৰ উদাহৰণৰ সৈতে বুজাই লিখা।

### খ—শাখা

**( লক্ষ্মীনাথ বেজবৰুৱা )**

৬। (ক) লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যকৃতিত প্ৰাগজ্যোতিষ, কামৰূপ আৰু অসম-চিন্তন সম্পৰ্কে এটি আলোচনামূলক প্ৰবন্ধ লিখা। ১৫

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ চুটিগল্পত প্ৰকৃতিৰ মনোৰম চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে, বুজাই লিখা। ১৫

*অথবা*

বেজবৰুৱাৰ হাস্য-ব্যংগ্যৰ প্ৰকৃতি আৰু বৈশিষ্ট্য সম্পৰ্কে এটি বিশ্লেষণশীল প্ৰবন্ধ লিখা।

(গ) কৃপাবৰ বৰুৱা কোন? এই চৰিত্ৰটি অৱতাৰণা কৰাৰ উদ্দেশ্য কি? এই উদ্দেশ্য সফল কৰাত লেখক কৃতকাৰ্য হৈছে নে নাই, বুজাই লিখা। ১৫

## PART—II

( *Marks* : 10 )

**( পুৰণি পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীৰ বাবে, যিসকলৰ আভ্যন্তৰীণ মূল্যায়ন নাই )**

৭। তলত দিয়া প্ৰশ্নকেইটাৰ ভিতৰত যি কোনো **দুটাৰ** উত্তৰ লিখিব লাগিব : ৫×২=১০

(ক) সংস্কৃতি আৰু সংস্কাৰৰ মাজত মিল আৰু অমিলবোৰ কি কি, চমুকৈ লিখা।

(খ) কি কাৰণে সংস্কৃতি পদৰ দ্যোতনা অতিকৈ ব্যাপক বুলি কোৱা হৈছে?

(গ) খ্ৰাম, পেম্পা আৰু সুতুলিৰ একোটিকৈ পৰিচয়মূলক টোকা লিখা।

* * *